অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ
ASSAM JATIYA BIDYALAY EDUCATION COUNCIL
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati-781020
Ph. : 0361-2654229, 98642 02080, e-mail : ajbecghy@gmail.com, website : www.ajbec.com

প্ৰসংগ ঃ এজবেক/০০৯/০২/২০২৪-২৫ তাৰিখ ঃ ১১-০৭-২০২৪
Ref : Date :

# অসম জাতীয় বিদ্যালয়ত শিক্ষক প্ৰশিক্ষণ কাৰ্যসূচীৰ সফল সমাপ্তি

**গুৱাহাটী, ১১ জুলাই, ২০২৪ :** বিগত বছৰবোৰৰ দৰে এইবছৰো নুনমাটিস্থিত অসম জাতীয় বিদ্যালয়ত ৮ জুলাই, ২০২৪ ৰপৰা ১১ জুলাই, ২০২৪ লৈ অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ অধীনত জিলা সমন্বয়ৰক্ষী সমিতিৰ দ্বাৰা নিৰ্বাচিত লগতে ২০২২ আৰু ২০২৩ চনত অনুষ্ঠিত হোৱা এজবেক শিক্ষক প্ৰশিক্ষণত (TOT) দেখুওৱা পাৰদৰ্শিতাৰ ওপৰত ভিত্তি কৰি নিৰ্বাচিতসকলৰ শিক্ষক প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। এই কাৰ্যসূচীত অসমৰ বিভিন্ন প্ৰান্তৰ জাতীয় বিদ্যালয়সমূহৰ সৰ্বমুঠ ২৪৩ গৰাকী শিক্ষক -শিক্ষয়িত্ৰীয়ে অংশগ্ৰহণ কৰে। ৮ জুলাই তাৰিখৰ পৰা ১১ জুলাই তাৰিখলৈকে অসম জাতীয় বিদ্যালয়ৰ ইংৰাজী, অসমীয়া, গণিত, বিজ্ঞান, সমাজ বিজ্ঞান বিভাগে দুদিনীয়াকৈ আৰু হিন্দী আৰু সুকুমাৰ কলা বিভাগে এদিনীয়াকৈ প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত কৰে। অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ আৰু অধ্যাপক উদয় চন্দ্ৰ দত্ত সোঁৱৰণী শৈক্ষিক ন্যাসৰ যুটীয়া উদ্যোগত অনুষ্ঠিত হোৱা ইংৰাজী বিষয়ৰ শিক্ষক প্ৰশিক্ষণ কাৰ্যসূচী ৮ জুলাই আৰু ৯ জুলাই তাৰিখে অনুষ্ঠিত হয় আৰু অসমৰ ২০ খন জিলাৰ পৰা মুঠ ৩৯ গৰাকী প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। এই বিষয়ৰ প্ৰশিক্ষণ কাৰ্যসূচীত সমল ব্যক্তি বিচাপে আমন্ত্ৰণ জনোৱা ব্যক্তিসকল আছিল ক্ৰমে বি বৰুৱা মহাবিদ্যালয়ৰ ইংৰাজী বিষয়ৰ মুৰব্বী অধ্যাপক অভিজ্ঞান প্ৰসাদ আৰু পাণবজাৰ ৰে'লৱে উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী অৰুণিমা দেৱী। অসম জাতীয় বিদ্যালয়ৰ বিভাগীয় শিক্ষয়িত্ৰী পল্লৱী দত্ত আৰু ভক্তিমালা শইকীয়াইও সমল ব্যক্তি হিচাপে কাৰ্য্যসূচীত প্ৰশিক্ষণ প্ৰদান কৰে।

৮ আৰু ৯ জুলাই তাৰিখে গণিত বিষয়ৰ প্ৰশিক্ষণ কাৰ্য্যসূচী অনুষ্ঠিত হয় আৰু অসমৰ ১৯ খন জিলাৰ পৰা মুঠ ৩৯ গৰাকী প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। গণিত বিষয়ৰ প্ৰশিক্ষণত সমল ব্যক্তি হিচাপে উপস্থিত থাকে গুৱাহাটী মহাবিদ্যালয়ৰ গণিত বিভাগৰ সহকাৰী অধ্যাপক ড° মনোজ কুমাৰ শৰ্মা আৰু পণ্ডিত দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয়, দৰঙৰ উপাধ্যক্ষ তথা গণিত বিভাগৰ অধ্যাপক ড° প্ৰণৱ কলিতা। অজাবিৰ বিভাগীয় শিক্ষয়িত্ৰী ক্ৰমে যুথিকা পাটোৱাৰী আৰু কল্যাণী পাটগিৰিয়েও এই কাৰ্য্যসূচীত সমল ব্যক্তি হিচাপে প্ৰশিক্ষণ প্ৰদান কৰে। ঠিক একেদৰে ৮ আৰু ৯ জুলাই তাৰিখে অনুষ্ঠিত হোৱা সমাজ বিজ্ঞান বিভাগৰ প্ৰশিক্ষণ কাৰ্য্যসূচীত অসমৰ ২২ খন জিলাৰ পৰা ৪০ গৰাকী প্ৰশিক্ষকে অংশগ্ৰহণ কৰে। সমাজ বিজ্ঞান বিভাগৰ প্ৰশিক্ষণত সমল ব্যক্তি হিচাপে উপস্থিত আছিল গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূগোল বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° অৱনী কুমাৰ ভাগৱতী। অজাবিৰ বিভাগীয় শিক্ষক-শিক্ষয়িত্ৰী ক্ৰমে সোণালী গগৈ, অপৰ্ণা দেৱী, অসীম কৃষ্ণ বৰুৱা, ধ্ৰুৱ শৰ্মা আৰু চন্দনা মেধি চৌধুৰীয়ে এই কাৰ্য্যসূচীত সমল ব্যক্তি হিচাপে প্ৰশিক্ষণ প্ৰদান কৰে। অসম জাতীয় বিদ্যালয়ৰ শৈক্ষিক বিষয়া ৰোহিনী কুমাৰ গোস্বামীয়েও এই কাৰ্য্যসূচীত অংশগ্ৰহণ কৰি সমল ব্যক্তি হিচাপে প্ৰশিক্ষণ প্ৰদান কৰে।

সুকুমাৰ কলা বিষয়ৰ প্ৰশিক্ষণ কাৰ্যসূচী ১১ জুলাই তাৰিখে অনুষ্ঠিত হয় আৰু অসমৰ ১৪ খন জিলাৰ ২৩ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীয়ে অংশগ্ৰহণ কৰে। অজাবিৰ বিভাগীয় মুৰব্বী কুঞ্জৰ দাস, শিক্ষক কন্দৰ্প শৰ্মা আৰু শিক্ষয়িত্ৰী পূৰবী ৰাণী বড়া আৰু ৰিম্পী পাঠকেও এই কাৰ্যসূচীত সমল ব্যক্তি হিচাপে প্ৰশিক্ষণ প্ৰদান কৰে।

অসমীয়া বিষয়ৰ শিক্ষক প্ৰশিক্ষণ কাৰ্যসূচী ১০ আৰু ১১ জুলাই তাৰিখে অনুষ্ঠিত হয় আৰু অসমৰ ২১

অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ
ASSAM JATIYA BIDYALAY EDUCATION COUNCIL
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati-781020
Ph. : 0361-2654229, 98642 02080, e-mail : ajbecghy@gmail.com, website : www.ajbec.com

প্ৰসংগ ঃ
Ref : এজবেক/০০৯/০২/২০২৪-২৫

তাৰিখ ঃ
Date : ১১-০৭-২০২৪

খন জিলাৰ ৩৮ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীয়ে অংশগ্ৰহণ কৰে। এই প্ৰশিক্ষণ কাৰ্য্যসূচীত সমল ব্যক্তি হিচাপে উপস্থিত থাকে গুৱাহাটী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা আৰু সাহিত্য অধ্যয়ন বিভাগৰ অধ্যাপক ড° অনুৰাধা শৰ্মা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ড° সঞ্জীৱ বৰা আৰু প্ৰাচ্যবিদ্যাৰ্ণৱ ড° মহেশ্বৰ নেওগ অসমতত্ব গৱেষণা সংস্থা, অসম সাহিত্য সভাৰ সমন্বয়ক ড° ৰাজশ্ৰী হাজৰিকা। অজাবিৰ বিভাগীয় শিক্ষক পলাশ কুমাৰ নাথ, ভাস্কৰজ্যোতি হাৰৈ আৰু দীপক কোচেও এই কাৰ্য্যসূচীত সমল ব্যক্তি হিচাপে প্ৰশিক্ষণ প্ৰদান কৰে।

হিন্দী বিষয়ৰ প্ৰশিক্ষণ ১০ জুলাই তাৰিখে অনুষ্ঠিত হয় আৰু অসমৰ ১৮ খন জিলাৰ ৩১ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীয়ে অংশগ্ৰহণ কৰে। এই প্ৰশিক্ষণত সমল ব্যক্তি হিচাপে উপস্থিত থাকে আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ হিন্দী বিভাগৰ বিভাগীয় প্ৰধান তথা সহকাৰী অধ্যাপক উদ্দিপ্ত তালুকদাৰ, দক্ষিণ চিনাকনা উচ্চ বিদ্যালয়ৰ হিন্দী বিষয়ৰ শিক্ষক ড° চৰিফুজ জামান আৰু সন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰ হিন্দী বিভাগৰ বিভাগীয় প্ৰধান তথা সহকাৰী অধ্যাপক ড° ৰাজশ্ৰী দেৱী।

বিজ্ঞান বিষয়ৰ প্ৰশিক্ষণ কাৰ্যসূচী ১০ আৰু ১১ জুলাইত অনুষ্ঠিত হয় আৰু অসমৰ ২১খন জিলাৰ ৩৩ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীয়ে অংশগ্ৰহণ কৰে। এই প্ৰশিক্ষণ কাৰ্য্যসূচীত সমল ব্যক্তি হিচাপে উপস্থিত থাকে গুৱাহাটী বিশ্ববিদ্যালয়ৰ যন্ত্ৰবিজ্ঞান বিভাগৰ অধ্যাপক ড° উৎপল শৰ্মা। বিভাগীয় শিক্ষক-শিক্ষয়িত্ৰী বনানী ডেকা, অনুৰাগ ডেকা আৰু মানসজ্যোতি শইকীয়াইও এই কাৰ্য্যসূচীত সমল ব্যক্তি হিচাপে প্ৰশিক্ষণ প্ৰদান কৰে।

এই এজবেক শিক্ষক প্ৰশিক্ষণ কাৰ্য্যসূচীৰ সমন্বয়কৰ দায়িত্বত আছিল অসম জাতীয় বিদ্যালয়ৰ ইংৰাজী বিভাগৰ জ্যেষ্ঠা শিক্ষয়িত্ৰী অপৰাজিতা দত্ত। এজবেকৰ দ্বাৰা পৰিচালিত আটাইকেইটা বিষয়ৰ এই শিক্ষক প্ৰশিক্ষণ কাৰ্য্যসূচীত অসম জাতীয় বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি দিলীপ কুমাৰ দত্ত চৌধুৰী, সচিব ডা° নাৰায়ণ শৰ্মা, শৈক্ষিক বিষয়া ৰোহিনী কুমাৰ গোস্বামী আৰু অসম জাতীয় বিদ্যালয়, নুনমাটিৰ অধ্যক্ষ ঘনশ্যাম মেধি উপস্থিত থাকে। জাতীয় বিদ্যালয়ৰ সকলো শিক্ষক-কৰ্মচাৰীয়ে এই কাৰ্য্যসূচীত আন্তৰিকতাৰে সহযোগ কৰে।

ঘনশ্যাম মেধি

(ঘনশ্যাম মেধি)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়